অন্যতম হ'ল হাৰবার্ট ব্লুমাৰ, যিয়ে সামাজিক আন্দোলনৰ জীৱন-চক্রটোক চাৰিটা প্রধান স্তৰত বিভক্ত কৰিছিল। সেই স্তৰ চাৰিটা হ'ল—

- উত্থান
- সহবৰণ কৰণ
- আমোলাতান্ত্রিক কৰণ আৰু
- পতন

- সামাজিক আন্দোলনসমূহে কেৱল সমাজ ব্যৱস্থাৰ পৰিবর্তন অনাই নহয়, বৰঞ্চ অন্যান্য সামাজিক আন্দোলনসমূহকো নিজস্ব অধিকাৰৰ হকে যুঁজিবলৈ অনুপ্রাণিত কৰে।
- সামাজিক আন্দোলনৰ কিছুমান বৈশিষ্ট্য হ'ল—
  প্রবর্তিত উমৈহতীয়া কার্য, স্পষ্ট লক্ষ্য আৰু আদর্শ, সংগঠন, প্রতিবাদৰ সুকীয়া পন্থা, সংজ্ঞাবদ্ধ আর্হি, পৰিবর্তনমুখী লক্ষ্য
- সামাজিক আন্দোলনসমূহক তলত দিয়া ধৰণে শ্রেণীভুক্ত কৰিব পাৰি ঃ
  পৰিত্রাণমূলক অথবা পৰিবর্তনশীল, সংস্কাৰমূলক, বৈপ্লৱিক, প্রতিৰোধমূলক, অবাস্তৱ পৰিকল্পনাকেন্দ্রিক, প্রব্রজনমূলক



১.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) Roa, M.S.A 2002. *Social Movements in India: Studies in Peasant, Tribal and Women's Movement*. Manohar Publications and Distributors.

২) Shah, Ghanshyam. 2004. *Social Movement in India: A Review of Literature*. Sage Publication

১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলন হ'ল প্রতিষ্ঠিত অনুষ্ঠানৰ বাহিৰৰ পৰিসৰত ক্রিয়া কৰি এক সাধাৰণ লক্ষ্যত উপনীত হ'বলৈ হাতত লোৱা এক উমৈহতীয়া প্রচেষ্টা। ই যিকোনো ৰাজহুৱা সমস্যা সমাধানৰ চেষ্টা কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ হাৰবার্ট ব্লুমাৰে সামাজিক আন্দোলনৰ জীৱন-চক্রৰ চাৰিটা স্তৰ চিনাক্ত কৰিছে। সেই স্তৰ চাৰিটা হ'ল—